বিৰোধী ঐক্যৰ ঐকমত্য গঠন হৈছে, নতুবা নাই হোৱা। প্ৰথমটোৱে এন ডি এক নিশ্চয় প্ৰত্যাহ্বান জনাব, দ্বিতীয়টোৱে এন ডি এক দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ সুযোগ দিব। বিৰোধীৰ নেতাই চৰকাৰৰ কাম-কাজবোৰ বিশ্লেষণ কৰিবলৈ গৈ আওপকীয়াকৈ জনতাৰ ওচৰত প্ৰচাৰ চলোৱা যেনহে ভাব হয়। বিৰোধী ঐক্য আটিল হ'ব পৰা নাই, বৰঞ্চ পানী মিঠৈসদৃশ অৱস্থালৈ গতি কৰিছে।...

২০২৬-ত চৰকাৰ কাৰ হ'ব?

আউল লগা বিৰোধী ঐক্য



কুশল কুমাৰ দাস

নিৰ্বাচন চমু চাপি অহাৰ পাছতো অসমৰ ৰাজনৈতিক পৰিৱেশ নিমাওমাও; জাতীয় সমস্যাৰে ভাৰাক্ৰান্ত হৈ থকাৰ পাছতো ৰাজনৈতিক দলবোৰৰ গতি-বিধি স্পষ্ট হোৱা নাই। বিৰোধী ঐক্যৰ প্ৰধান ইছা কি? বা শাসনত থকা দলৰ ব্যৰ্থতা আৰু সফলতাৰ বিশ্লেষণ সংঘবদ্ধ হ'ব নোৱাৰা বিৰোধী দলৰ পৰা জনতাৰ ওচৰলৈ নিব পৰা এনেকুৱা নাই যেন ভাব হয়। কেৱল শাসকীয় দলৰ ইটোৰ পাছত সিটো বিজয় যাত্ৰাৰ সেৱা লৈ জনতাৰ মনত আস্থাভাজন হোৱাৰ নানাটা আঁচনিৰ পোহাৰ মেলি দিছে। বিৰোধী ঐক্যই শাসকীয় দলৰ কাৰ্যকলাপবোৰক সংবাদ মাধ্যমৰ জৰিয়তে আগবঢ়োৱা চৰ্চাবোৰে বিৰোধী ঐক্যৰ উৎকৰ্ষ সাধন কৰিছে নে শাসকীয় দলক লাভান্বিত কৰিছে? গমি চোৱা জৰুৰী। এই বিষয়ত দলৰ নেতা আৰু পালি-নেতাবোৰে হৃদয়ংগম কৰেনে? গান বা চিনেমাৰ চৰ্চা যিমানে বেছি হ'ব চাহিদা বাঢ়িবই, তেনেকৈ শাসকীয় দল কিম্বা নেতাৰ কাৰ্যকলাপৰ চৰ্চা আন বিৰোধী ঐক্যৰ নেতাই যিমানে চৰ্চালৈ আনিব, সিমানে জনমানসত অধিক চিনাকি হৈ পৰে। চৰকাৰৰ ভাল কামৰ চৰ্চা বিৰোধী ৰাজনৈতিক দলৰ মাজত প্ৰায়ে নহয় গণতন্ত্ৰত ভাল কামৰ শলাগৰ বিপৰীতে দোষ বিচৰা প্ৰবৃত্তিৰ চাহিদা বেছি। সামাজিক মাধ্যমেও এই ক্ষেত্ৰত উনৈশত বা বলাই চৰ্চাৰ পৰিসৰ বৃদ্ধি কৰে। ২৬-ৰ নিৰ্বাচনৰ আগত বিৰোধী ঐক্যৰ পৰা দুটা সম্ভাৱনা নিশ্চয় ৰইজে পাব, এটা হৈছে— বিৰোধী ঐক্যৰ ঐকমত্য গঠন হৈছে, নতুবা নাই হোৱা। প্ৰথমটোৱে এন ডি এক নিশ্চয় প্ৰত্যাহ্বান জনাব, দ্বিতীয়টোৱে এন ডি এক দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ সুযোগ দিব। বিৰোধীৰ নেতাই চৰকাৰৰ কাম-কাজবোৰ বিশ্লেষণ কৰিবলৈ গৈ আওপকীয়াকৈ জনতাৰ ওচৰত প্ৰচাৰ চলোৱা যেনহে ভাব হয়। বিৰোধী ঐক্য আটিল হ'ব পৰা নাই, বৰঞ্চ পানী মিঠৈসদৃশ অৱস্থালৈ গতি কৰিছে। নিজৰ কৰিবলগীয়া অসমৰ বহু সমস্যাক মূল ইছা হিচাপে লোৱাৰ বাসনাও যেন আকাশত চাং পতাৰ দৰে হৈছে। কাৰণ বিভিন্ন দলক আজি অত বছৰে বিৰোধী ঐক্যৰ ৰূপত থান-থিত লগাবই পৰা নাই। আদৰ্শ-নীতি প্ৰত্যাকৰে বেলেগ বেলেগ, তাতে আকৌ লক্ষ্য এটাই— বিজেপি চৰকাৰক ক্ষমতাচ্যুত কৰা। এয়া জানো প্ৰকৃত ৰাজনৈতিক দলৰ লক্ষ্য-আদৰ্শ হ'ব লাগেনে? জনতাই মনোনীত কৰা চৰকাৰ এখনৰ বিৰুদ্ধে লাগি থকাৰ বাহিৰে অসমৰ কোনবোৰ সমস্যাই জনতাক জলা-কলা খুৱাইছে তাত মনোনিৱেশ নকৰি ৰাইজে মনোনীত কৰা চৰকাৰৰ হাতৰ পৰা ক্ষমতা আঁজুৰি অনা প্ৰধান লক্ষ্য হোৱা উচিত জানো চৰকাৰে কৰা কাম-কাজবোৰৰ বিশ্লেষণ কৰি থকাটোৱে বিৰোধী দলৰ মূল শক্তি কেতিয়াও নহয়। এটা দল কিম্বা বিৰোধী ঐক্যই ৰাইজৰ ক্ষমতালৈ আহিলে যিবোৰ সমস্যা বৰ্তমান চৰকাৰে মনযোগ দিয়া নাই বা দৃষ্টিগোচৰ নাই, সেইবোৰক প্ৰধান ইছা হিচাপে ৰাইজৰ ওচৰ চাপিব লাগে, অন্যথা শাসকীয় ওচৰত পৰাজয়ৰ গ্লানিৰে নতি স্বীকাৰ বুজায়। বিৰোধী ঐক্যই হিতাধিকাৰী সৃষ্টি আৰু সন্তুষ্ট কৰা আঁচনিবোৰ অমুক-তহুক বুলি কৈ থাকিলে সাধাৰণ জনতা কেতিয়াও সেইবোৰৰ সুবিধা নোলোৱাকৈ আঁতৰি নাহে। বৰঞ্চ বিৰোধী ঐক্যৰ ওচৰ চাপিবলৈ ৰাইজ বিতুষ্ট হ'ব। শাসকীয় দলে যিবোৰ জনহিতকৰ আঁচনি ৰাইজৰ মাজত বাহাল ৰাখিছে, সেইবোৰৰ ইতিবাচক বা নেতিবাচক দিশ থাকিবই; বিৰোধী দলে কেৱল নেতিবাচক দিশবোৰ পেঘেনিয়াই থকাতকৈ জনকল্যাণমূলক ভাল আঁচনিৰ পৰিকল্পনা কৰাহে যুগুত। আত্মনিৰ্ভৰ ভাৰত কিম্বা অসমৰ বাবে জনতাই কি কি পোৱা উচিত আৰু কেনে পৰিকল্পনাৰে আগবাঢ়িলে সেয়া সম্ভৱ, তেনে এক দিশেৰে ৰাজনৈতিক দলবোৰে ৰাজনৈতিক যাত্ৰাত খোজ দিব লাগিব। হ্ৰস্ব বা দীৰ্ঘম্যাদী উন্নয়নমূলক আঁচনিয়ে এটা জাতিক এলেহুৱা-আলসুৱা পৰজীৱী হোৱাৰ পৰা ৰক্ষা কৰিব পাৰে। নিজ দলৰ লক্ষ্য-উদ্দেশ্য আৰু পৰিকল্পনাবোৰ সাৰ্থক কৰিবলৈ আপোচবিহীনভাৱে আগুৱাব লাগিব; এটা সময় আছিল— অসমত উন্নয়ন নোহোৱাটোৱে আছিল ডাঙৰ সমস্যা, তদুপৰি নিবনুৱা সমস্যা, অনগ্ৰসৰতাৰ সমস্যা, ভাষিক সমস্যা, বানপানীৰ সমস্যা, বাংলাদেশীৰ সমস্যা, আন্তঃৰাজ্যিক সীমা সমস্যা আদিয়ে অসমৰ বুকুত থলগিৰিয়ে আন্দোলন কৰি চৰকাৰক আঙুলিয়াই দিব লাগিছিল। সময় সলনি হ'ল; কিছুমান কথা বেবেৰিবাং হ'ল। ৰাজনৈতিক নীতি সলনি হ'বলৈ ধৰিলে। শাসনত থকা দলে তেনে সমস্যাবোৰৰ সৈতে নলগা জেঙত লাগি বহি থাকিব নোৱৰা হ'ল। স্বাভাৱিকভাৱে সমস্যাবোৰ সমাধানৰ দিশত আগবঢ়াই নিবলৈ বাধ্য হ'ল। বিদেশী সমস্যাৰ কাৰণ মানুহে বুজি পালে। অসমীয়া মানুহৰ কৰ্মস্পৃহা কমি যোৱাত বিদেশীৰ আগমন আৰু অৰ্হতাহীন সত্তা



কিছুমানৰ সহজে ধন ঘটাৰ জীৱিকা লগতে ৰাজনৈতিক দলবোৰেও বিদেশীক লৈ কৰি অহা ভোট বেংক ৰাজনীতিয়ে হৈছে মূল কাৰণ। ৰাজনৈতিক দলৰ ভোট বেংক ৰাজনীতিতকৈয়ো অসমীয়া মানুহৰ কৰ্মহীনতাই জ্বলন্ত ৰূপত জাতিটোক তিলতিলকৈ পংগু কৰি পেলালে। এই কথা এতিয়া লুকাই থকা বিষয় নহয়। চৰকাৰৰ উন্নয়নমূলক কাম-কাজবোৰত চকু ফুৰালে জলজল-পটপটকৈ চকুত পৰে কিছুমান অনা-অসমীয়াৰ দক্ষ শ্ৰমিকৰ হাতত সমস্ত কাম। অসমীয়া মানুহে কামৰ সৰু-বৰ পৰিহাৰ কৰাৰ লগতে লজ্জাবোধৰ পৰা মুক্ত হৈ নিজক দক্ষতাসম্পন্ন কৰিব নোৱাৰিলে চৰকাৰক দোষ জাপি দিয়া কামে সদায় কৰি থাকিব লাগিব। পৌনঃপুনিক উন্নয়নৰ ধামখুমীয়াত কোনো সংগঠনে এতিয়া উন্নয়নৰ বাবে মাত নমতা হ'ল। এয়া বৰ্তমান চৰকাৰৰ বাবে যোগাত্মক দিশ যদিও আন্তঃগাঁথনি উন্নতিৰ লগতে জনতাৰ বৌদ্ধিক বিকাশ সমানে হোৱা দৰকাৰ। কেৱল লাহ-বিলাসত ডুব যোৱা আৱেগৰ দ্বাৰা পৰিচালিত এটা জাতিৰ অধঃপতন সোনকালে আহে। বৰ্তমানৰ চৰকাৰৰ ৰাজনৈতিক নীতি সলনি হৈছে— ৰাইজ কিম্বা বিৰোধী দলে কৰা চৰ্চাবোৰক লৈ সমাধানৰ সূত্ৰ ৰচনা কৰি আগবঢ়াৰ নীতি অৱলম্বন কৰিবলৈ ধৰিছে। বিৰোধীৰ লক্ষ্য আৰু উদ্দেশ্য গোমৰ ফাক হৈ যোৱা মানে শাসকীয় দল বহি নাথাকি তাৰো সমাধানৰ বাট বিচাৰি প্ৰত্যক্ষ বা পৰোক্ষভাৱে আগবাঢ়িছে। সেইবাবে বৰ্তমান যুগত কাৰো নীতি-আদৰ্শ নিজৰ হৈ নাথাকে; সংখ্যাগৰিষ্ঠ জনতাই বিচৰা যিকোনো নীতিকে চৰকাৰে সমাধানৰ বাবে ল'ব পাৰে। জনতাৰ দাবীক চাপত ৰখাৰ ৰাজনীতি এতিয়া সম্ভৱ নহয়। 'ভাষা আন্দোলন, অসম আন্দোলন, ৮৫৫ শ্বহীদ' আদিক এটা সময়ত চৰকাৰে বাধা আৰোপ কৰি চাপত ৰাখিছিল। কিন্তু এতিয়া সেই শ্বহীদৰ বাবে বৰ্তমানৰ চৰকাৰে জিলাই জিলাই শ্বহীদ দিৱস পাতিব ওলাইছে। বৰ্তমানৰ মুখ্যমন্ত্ৰীজনৰ মুখত শুনা গৈছে— 'আন্দোলন নহয়, আলোচনালৈ আহক, সকলো সমস্যা সমাধান হৈ যাব।' ৰাজনীতিৰ পৰিৱৰ্তনশীলতাৰ ই এক নমুনা বৰ্তমানৰ বিৰোধী শক্তিয়ে জানি লোৱা প্ৰয়োজন। অসমৰ এতিয়া চুক-কোণৰ ৰাইজে কেৱল বিজেপিক দেখিছে, প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈছে নতুবা হ'বলৈ বাধ্য হৈছে। কাৰণ মানুহে কেতিয়াও পেটত গাঁঠি মাৰি জীয়াই থাকিব নোৱাৰে; চাউল মুঠি দিয়াৰ লগতে আন আন বস্তু নিজৰ থকাখিনিৰ লগত যোগ কৰি ম'বাইল, চাইকেলৰ সলনি ইন্ধন নিৰ্ভৰ দুই চকাৰ বাহন কিনাৰ কথা চিন্তা কৰিবলৈ সক্ষম হৈছে। গতিকে কোনে পায়; অন্ততঃ দুখীয়া বুলি দুখত ককবকাই দুই আঁঠুৰ মাজত মূৰ থৈ হিয়া ঢাকুৰি কান্দি জীৱনটোক অঠাই সাগৰত দিন নিয়াব নালাগে। যুগৰ সৈতে আগবাঢ়ি যোৱাত চৰকাৰখনে হাতে-কামে লাগিছে বুলিয়ে ভোটৰ দিনত অশলাগ কৰিব নে? সেয়ে বছৰ বছৰ যাৰ যহত শাখা-সেন্দুৰ, তাকে ভোকোলা এন্দুৰ কৰিব নোৱাৰে। হিন্দু বা মুছলমানৰ কথাই কাকো অৰ্থহীন সাম্প্ৰদায়িক ভাবনাত বিধ্বস্ত কৰিব পৰা নাই। ক্ষিপ্ৰ উন্নয়নৰ দিনত ৰাইজে 'সমানে সমানে কৰিবা কাজ হাৰিলে জিকিলে নাই লাজ' নীতি অৱলম্বন আৰু সমাজখনক অন্য ব্যৱস্থাপনাৰ লগত নিজে নতুবা আনকো সন্নিৱিষ্ট কৰি আগুৱাব বিচাৰে। দুৰ্নীতিত লেটি-পেটি হৈ শাসনৰ বোকা ছটিয়াই বোকাতে পোত যোৱাৰ পাছত তেনে ৰাজনৈতিক দলে নীতিৰ ব্যাকৰণৰ কথা ডিঙিৰ সিৰ ফুলাই ক'লে কোনে বিশ্বাসত ল'ব। ৰাজনৈতিক দলৰ দুৰ্নীতিয়ে হৈছে অধোগতি, শাওপাত ৰাইজৰ পৰা আহে। ৰাইজক যিমানে মিছা প্ৰলোভন দি ক্ষমতা হস্তগত কৰিব বিচাৰিব, সিমানে বোকাত পোত যোৱাৰ বাহিৰে নিস্তাৰ নাই। সময়ে বাৰে বাৰে কাকো ক্ষমা নকৰে। ভুলৰ পৰাচিত হ'বলৈ সময় লাগিব। পাবত গজা ৰাজনৈতিক দলবোৰেও এই কথা জানি লোৱা ভাল। সাতে-সন্তোৰে আনৰ কান্ধত বন্দুক থৈ ৰাজনীতি কৰিলে বেছি দিন নিটিকে, সেই কথাও বুজা উচিত। অসমৰ ৰাজনৈতিক ইতিহাসে তাকে কয়। ৰাজনৈতিক দলৰ বহুমুখী ভূমিকা লাগিবই; সকলো কথা ৰাইজে আদৰি নল'ব পাৰে, কিন্তু যিবোৰ কথাই ৰাইজক লাভান্বিত কৰে, তাৰদ্বাৰা দলটো উপকৃত হয়। বৰ্তমান চৰকাৰে যিধৰণৰ কৌশল খটাইছে, সেইবোৰৰ পৰিণাম যিয়েই নহওক, তাৰ উত্তৰ ৰাইজে নিশ্চয় সময়ে সময়ে দিব। ৰাজনৈতিক দলৰ আদৰ্শ কেতিয়াও ধ্ৰুৱক নহয়। এটা সময়ত শত্ৰুৰ দৰে খেদি ফুৰিব কিম্বা শাসনৰ গাদীৰ পৰা নমাব পাৰে। সেয়া ৰাইজে নিৰ্ধাৰণ কৰিব। গণতন্ত্ৰত ৰাইজ এনে এক শক্তি, যাক অনুধাৱন কৰা ইমান সহজ নহয়। স্বাধীনতাৰ পিছৰ পৰা চৰকাৰ বহু সলনি হ'ল, নতুন দল গঠন হ'ল, কিন্তু ৰাজপাত দখল কৰাসকলে শাসনত থকা সময়ত যেতিয়াই জনতাৰ পৰা দূৰত্ব বাঢ়িছে সেই দলকে শাসনৰ পৰা বৰ্খাস্ত কৰিছে। বৰ্তমান শাসনত থকা দলে যি নীতিৰে শাসন কৰিছে, ৰাইজে উপকৃত হোৱা সময়লৈকে শাসনৰ সোৱাদ পাই থাকিব। গণতন্ত্ৰত একেবিধ ব্যঞ্জনো আমনিদায়ক হৈ পৰে। ছেগাচোৰোকাকৈ কংগ্ৰেছ দল ভাগৰি পৰিছে নে ৰাইজে নাকচ কৰিছে? আদৰ নোপোৱাৰ পাছতহে এটা দলে নিজৰ দুৰ্বলতাৰ কথা উপলব্ধি কৰে। দেশৰ পৰম শক্তিযুক্ত দল হোৱাৰ পাছতো পৰাজয়ৰ গ্লানিৰ দুৰ্বলতা বিচাৰ-খোঁচাৰ ভালকৈ নকৰাৰ বাবে পুৰণিকলীয়া ইতিহাসৰ দৰৱে কামত নিদিয়াত অসমৰ ছাব্বিশৰ নিৰ্বাচনত জনতাই নিশ্চয় সিদ্ধান্ত ল'ব।

> বিজেপি চৰকাৰক ক্ষমতাচ্যুত কৰা। এয়া জানো প্ৰকৃত ৰাজনৈতিক দলৰ লক্ষ্য-আদৰ্শ হ'ব লাগেনে? জনতাই মনোনীত কৰা চৰকাৰ এখনৰ বিৰুদ্ধে লাগি থকাৰ বাহিৰে অসমৰ কোনবোৰ সমস্যাই জনতাক জলা-কলা খুৱাইছে তাত মনোনিৱেশ নকৰি ৰাইজে মনোনীত কৰা চৰকাৰৰ হাতৰ পৰা ক্ষমতা আঁজুৰি অনা প্ৰধান লক্ষ্য...

লেখক যোৰহাট মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক

■ ফ'ন: ৯১০১১২২৬৩৮

...ঞ্চলক বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ বহু দাবী ইতিমধ্যে কৰা হৈছে। এতিয়াও